সামাৰৰ পাৰি।

জীৱন-বৃত্তৰ সৈতে জৰিত উৎসৱ-অনুষ্ঠানসমূহ তলত দিয়াৰ নিচিনাকৈ ভাগ কৰি দেখুৱাব পাৰি। যেনে ঃ

(১) গৰ্ভধাৰণ আৰু সন্তান জন্মৰ লগত সম্পৰ্কযুক্ত উৎসৱ-অনুষ্ঠান (Pregnancy and child birth),

(২) জন্ম আৰু শৈশৱৰ লগত জৰিত উৎসৱ-অনুষ্ঠান (Birth and childhood),

(৩) দীক্ষা আৰু শৰণ গ্ৰহণৰ সৈতে সম্পৃক্ত উৎসৱ-অনুষ্ঠান (Initiation rites),

(৪) বিবাৰ্থ বাগ্‌দান আৰু বিবাহৰ লগত সম্বন্ধযুক্ত উৎসৱ-অনুষ্ঠান (Betrothat and marriage),

(৫) মৃতকৰ সংস্কাৰৰ লগত জৰিত উৎসৱ-অনুষ্ঠান (Funerals)।

বিভিন্ন *গৃহ্যসূত্ৰ*-ত হিন্দু সংস্কাৰৰ সংখ্যা বিভিন্ন ভাৱে পোৱা যায়। *অশ্বলায়ন-গৃহ্যসূত্ৰ*-ত সংস্কাৰৰ সংখ্যা ১১; পাৰস্কৰ গৃহ্যসূত্ৰৰ মতে ১৩, বৌধায়ন গৃহ্যসূত্ৰৰ মতে ১৩, বাৰাহ গৃহ্যসূত্ৰৰ মতে ১৩, বৈখানস গৃহ্যসূত্ৰৰ মতে ১৮ ইত্যাদি। স্মৃতিতো সংস্কাৰৰ সংখ্যা বিভিন্ন। তথাপি আমাৰ পৰম্পৰাত দশ সংস্কাৰৰ কথা কোৱা হয়। গৰ্ভধাৰণ বা গৰ্ভাধান সংস্কাৰ সুকীয়াকৈ সম্পাদন কৰা নহয়, আন সংস্কাৰৰ লগতহে সম্পাদন কৰা হয়।

**০৩.০১. গৰ্ভধাৰণ বা গৰ্ভাধান আৰু সন্তান জন্মৰ লগত সম্পৰ্কযুক্ত অনুষ্ঠানাদি ঃ** ভাৰতীয় পৰম্পৰানুসৰি বিবাহৰ উদ্দেশ্য সন্তান লাভ; পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা; অৰ্থাৎ পুত্ৰ বা সন্তান লাভৰ বাবেই বিবাহ কৃত্য সম্পাদিত হয়। স্বামী আৰু পত্নীৰ যৌন মিলনৰ পৰিণতিত পত্নী গৰ্ভৱতী হয় অৰ্থাৎ পত্নীৰ গৰ্ভত সন্তানে স্থিতি লাভ কৰে। পত্নীৰ সেই গৰ্ভ ৰক্ষা কৰিবৰ বাবে স্বামীয়ে বিভিন্ন ধৰ্মীয় কৃত্য সম্পাদন কৰে মংগলকাৰী শক্তিসমূহৰপৰা কল্যাণ কামিতা বিচাৰি আৰু অপশক্তিক বিদূৰণ কৰিব বাবে। ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকে বিবাহৰপৰা গৰ্ভধানলৈকে প্ৰায় সকলোবোৰ সংস্কাৰেই সম্পাদন কৰে। প্ৰত্যেকটো সংস্কাৰ সুকীয়া সুকীয়াকৈ সম্পাদন কৰা উচিত; কিন্তু কেতিয়াবা এৰাব নোৱাৰা কাৰণ বশতঃ দুটা-তিনিটা সংস্কাৰ একেলগে কৰা হয়। তেওঁলোকৰ মাজত পালিত সংস্কাৰসমূহৰ ভিতৰত — (১) গৰ্ভাধান, (২) পুংসেৱন, (৩) সীমান্তোন্নয়ন, (৪) জাতকৰ্ম, (৫) নিষ্ক্ৰামণ, (৬) অন্নপ্ৰাশন, (৭) কৰ্ণবেধ, (৮) চূড়াকৰণ, (৯) বিদ্যাৰম্ভ, (১০) উপনয়ন, (১১) বেদাৰম্ভ, (১২) কেশান্ত, (১৩) সমাবৰ্তন আৰু (১৪) বিবাহ।

গৰ্ভধান, সীমন্তোন্নয়ন, কৰ্ণবেধ, নিষ্ক্ৰামণ আদি সংস্কাৰ সুকীয়া সুকীয়াকৈ পালন নকৰি প্ৰায় একেলগে পালন কৰা দেখা যায়। গৰ্ভিনীৰ পঞ্চমাহত আনুষ্ঠানিকভাৱে পঞ্চামৃত ভক্ষণ-কৃত্য পালিত হোৱা দেখা যায় অসমৰ জাতি-বৰ্ণ আৰু জনজাতিসকলৰ মাজত। দধি-দুগ্ধ-ঘৃত-মধু, শৰ্কৰা এই পঞ্চবিধ দ্ৰব্যৰে পঞ্চামৃত প্ৰস্তুত কৰাৰ পৰম্পৰা হিন্দু সমাজত বৈদিক যুগৰ পৰাই চলি আহিছে। সপ্তম মাহত গৰ্ভিনীক 'কেঁচা জেউৰা' খুউৱা পৰম্পৰা অসমৰ অঞ্চল

বিশিষে প্ৰচলিত। এই প্ৰসংগত পিতৃ গৃহৰপৰা 'কৈঁচা'ৰ যা-যোগাৰ লৈ গৰ্ভিণীৰ স্বামীৰ গৃহলৈ আহে আৰু নিমন্ত্ৰিত অঙহী-বঙহীক আপ্যায়ন কৰাৰ পিছত মাতৃয়ে গৰ্ভিণীক নৱবস্ত্ৰ পৰিধান কৰায় আৰু বোকা চাউল বা কোমল চাউল, দৈ, গুৰ, কল, পিঠা, লাড়ু আদিৰে জলপান (কৈঁচা) খুৱায়। সপ্তম মাহত গৰ্ভিণীক পকা জেউৰীয়া খুওৱা হয়। প্ৰচলিত পৰম্পৰামতে গৰ্ভিণীৰ মাক-পিতাকে নিজৰ ঘালৰপৰা মাছ, মঙহ, চাউল, দইল, জা-জলপান, দৈ আৰু এবা গাখীৰ আদিৰ সৈতে নিৰ্দিষ্ট দিনত গৰ্ভিণীৰ গৃহলৈ আহে। জোৱায়েকৰ ইষ্ট-কুটুম্ব আৰু তেওঁৰ খেলৰ মানুহ-দুনুহ আদিকো নিমন্ত্ৰণ কৰা হয়। বিহিত মাংগলিক কৃত্যাদি সম্পাদন কৰাৰ অন্তত আমন্ত্ৰিতসকলক ভক্ষণ কৰাই গৰ্ভিণীক যথা নিয়মে খাবলৈ দিয়া হয়। ইয়াকে 'জেউৰা খুউৱা' অৰ্থাৎ 'সাধভক্ষণ' কৃত্য আখ্যা দিয়া হয়। সাধভক্ষণ 'দোহল' স্বৰূপেও পৰিচিত।

কৈঁচা-পকা জেউৰীয়া খুউৱা পৰম্পৰা জনজাতিৰ মাজতো কম-বেছি পৰিমাণে প্ৰচলিত। গৰ্ভিণী বা গৰ্ভৱতীৰ অষ্টম মাহটো অশুচি বুলি বিবেচনা কৰা হয়। এই সময়ত তেওঁ বন্ধা-বঢ়া কৰিব নোৱাৰে, স্বামীৰ সৈতে শুব নোৱাৰে অৰ্থাৎ কোনো ধৰণৰ সংস্পৰ্শ কৰিব নোৱাৰে। তেওঁক কোনো ধৰণৰ পূজা-উপাসনাদি মাংগলিক কৃত্যত অংশ গ্ৰহণ কৰিবলৈ দিয়া নহয়। গৰু-ম'হ বা আন আন ঘৰচীয়া জন্তু তেওঁ ছোব নোৱাৰে। গৰ্ভৱতীয়ে সিটো মাহৰ প্ৰথম দিনৰপৰা ব্ৰত আৰম্ভ কৰে সেইমাহৰ সংক্ৰান্তিৰ দিন ব্ৰতৰ সামৰণি পৰে। অৱশ্যে পুংসৱন বা পোহন বিয়া সম্পাদন হোৱাৰ অন্তত তেওঁ সংক্ৰান্তি পৰ্যন্ত হৱিষ্যান্ন নিজে ৰান্ধি খাব পাৰে।

০২. **পুংসৱন বা পোহন বিয়া ঃ** নৱবধু প্ৰথম গৰ্ভৱতী হোৱাৰ প্ৰসংগত অনুষ্ঠিত সংস্কাৰমূলক কৃত্যবিশেষৰ নাম পুংসৱন বা পোহন বিয়া বা পুহন বিয়া। পুংসৱনৰ উদ্দেশ্য পুত্ৰ লাভ। যেনে ঃ

*পুমান্ প্ৰসূয়তে যেন কৰ্মনা তত্পুংসৱনমীৰিতম্*

অৰ্থাৎ যি কৃত্য বা কৰ্মৰদ্বাৰা পুত্ৰজন্ম হয় তাৰ নামেই পুংসৱন।

বৈদিক নৱবধুৱে স্বামীক অনুৰোধ কৰি কৈছিল ঃ

*আ তে যোনিং গৰ্ভ এতুপুমান্ বাণ-ইৱেষুধিম্।*
*আবীৰোঽত্ৰ জায়তাম্ পুত্ৰস্তে দশ মাসস্য।।*

অৰ্থাৎ, ধনুৰে নিক্ষেপ কৰা শৰৰ দৰে তীব্ৰগতি বিশিষ্ট পুৰুষ ভ্ৰূণ মোৰ গৰ্ভত নিক্ষেপ কৰা যিয়ে দশমাহৰ মূৰত বীৰ পুত্ৰ-সন্তান এটি জন্ম দিব পাৰে।

*গৃহ্যসূত্ৰ*-ৰ যুগত গৰ্ভৱতীৰ ৩য়, ৪ৰ্থ নাইবা ইয়াৰ পিছৰ মাহত পুংসৱন-সংস্কাৰ অনুষ্ঠিত হোৱাৰ প্ৰমাণ পোৱা যায়। মনু, যাজ্ঞৱল্ক্য আদি স্মাৰ্ত পণ্ডিতৰ মতে মাতৃৰ গৰ্ভত ভ্ৰূণে লৰচৰ কৰিবলৈ আৰম্ভ কৰাৰ সময়তে পুংসৱন কৃত্য অনুষ্ঠিত হোৱা উচিত। পুৰণি কালত দ্বিজসকলৰ মাজত (ব্ৰাহ্মণ-ক্ষেত্ৰিয়-বৈশ্য) পুংসৱন অপৰিহাৰ্য্য আছিল। লাহে লাহে ব্ৰাহ্মণসকলৰ মাজতহে এই পৰম্পৰা ৰক্ষিত হৈছে। পুংসৱন-কৃত্যৰ লগতে গৰ্ভধান আৰু সীমন্তোন্নয়ন কৃত্যও সম্পাদন কৰা হয়। নৱম মাহত দোহদৱতীক অঙহী-বঙহী, ইষ্ট-কুটুম্ব আৰু ওচৰ চুবুৰীয়াই একো সাজকৈ ভাত খুৱায়— আগন্তুক সন্তান আৰু গৰ্ভৱতীৰ দেহৰ মংগল কামনা কৰি। নৱম মাহত দোহদৱতীক 'ভাত-খুউৱা' কৃত্য বৈদিক বা পৌৰাণিক নহয়, লৌকিকহে। এই মাহতেই দোহদৱতীৰ মাতৃয়ে তেওঁক (দোহদৱতীৰ) দোহদপূৰ্ণ কৰি খুৱায়।

০৩. **জাতকৰ্ম ঃ** জাতকৰ্ম তিনিটা কৃত্যৰ সমষ্টি। যেনে ঃ (ক) ঘৰশুদ্ধি (খ) নামকৰণ আৰু (গ) নিষ্ক্ৰামণ। গৰ্ভৱতীৰ প্ৰসৱৰ পূৰ্বে (দশমাহত) প্ৰসৱৰ উপযুক্ত স্থান নিৰ্বাচন, বেজনীৰ সহায়ত প্ৰসৱকৰণ, নাভিচ্ছেদন, নৱজাতকক প্ৰক্ষালন, মুখত মধু-জালুক যৎকিঞ্চিৎ প্ৰদান ইত্যাদি কৃত্য সম্পাদিত হয়। কোনো কোনো ক্ষেত্ৰত নৱজাতকৰ মুখত অকণমান গৰু ঘিউ দিয়া হয়। জনজাতীয় সমাজত নৱ জাতকৰ মুখত চাউলৰে প্ৰস্তুত এটোপা মদ দিয়া নিয়ম প্ৰচলিত। *গৃহ্যসূত্ৰ*-ৰ বিধানমতে নৱজাতকৰ নাভিচ্ছেদনৰ পিছতে পিতৃয়ে নান্দীমুখ শ্ৰাদ্ধ সম্পাদন কৰি জাতকৰ মুখত মৌ, ঘিউ আদি দিয়ে বা প্ৰাশন কৰায় — যিয়ে জাতকৰ জড়তা দূৰ কৰিব পাৰে। সূতিকা গৃহৰদ্বাৰত হোম অনুষ্ঠিত কৰি দুবৰি, বগা সৰিয়হ, চাউলৰ খুদ আৰু দুকুৰি চাৰিডাল খৰিকাৰে দুকুৰি চাৰিটা হোম প্ৰদান কৰা হয় ৰোগ-ব্যাধি

নিৰ্মূলৰ বাবে। জাতকৰ্মৰ দিনাখনেই জাতকৰ নামকৰণ কৃত্য সম্পাদন কৰা উচিত। অৱশ্যে অসুবিধাবশতঃ নামকৰ্ম জাতকৰ পঞ্চম দিন বা একাদশ দিনত সম্পাদন কৰিব পাৰি।

নামকৰণ কৃত্যৰ অন্যতম উদ্দেশ্য হৈছে — নৱজাতকক সমাজ ভুক্তকৰণ। জাতকৰ ৰাশি পঞ্জিকাৰ সহায়ত নিৰ্ণয় কৰি ৰাশিৰ বৰ্ণ বা আখৰৰ মতে জাতক বা জাতিকাৰ নাম ৰখা হয়। মুছলমানসকলেও জ্যোতিষী বা মৌলবীৰদ্বাৰা নৱজাতক বা জাতিকাৰ নামকৰণ কৃত্য সম্পাদন কৰে। জনজাতিসকলৰ মাজতো নামকৰণ কৃত্যৰ প্ৰচলন লক্ষ্য কৰিব পাৰি। গএরা বাইজে কোনো কোনো ক্ষেত্ৰত জাতক বা জাতিকাৰ জন্ম বাৰ, সময়, মাহ, ক্ষণ আদিৰ আধাৰতো নাম ৰাখে। যেনে ঃ

| | | | | |
|---|---|---|---|---|
| মাহ অনুসৰি | ঃ | ভাদ মাহত জন্মিলে | — | ভদীয়া |
| | ঃ | কাতি মাহত জন্মিলে | — | কাতীয়া |
| পক্ষ অনুসৰি | ঃ | শুক্ল পক্ষত জন্মিলে | — | শুকুৰা |
| দিন-ৰাতি অনুসৰি | ঃ | ৰাতি জন্মিলে | — | ৰাতীয়া |
| | | পুৱা জন্মিলে | — | পুৱাৰাম বা পুৱেলী |
| বাৰ অনুসৰি জন্মিলে | ঃ | সোমবাৰ | — | সোমবৰ |
| | | মঙ্গলবাৰ | — | মঙ্গল বা মঙ্গলু |
| | | বুধবাৰে জন্মিলে | — | বুধুৰা |
| | | শনিবাৰে জন্মিলে | — | শনিয়া |
| | | দেওবাৰে জন্মিলে | — | দেওবৰ |
| বান পানীৰ সময়ত জন্মিলে | | | — | বানপেনীয়া |
| বৰষুণ বতৰত জন্মিলে | | | — | বৰহুনা। ইত্যাদি |

নামকৰণৰ ক্ষেত্ৰত জাতক বা জাতিকাৰ নাম দুটা ৰখা হয় — এটা গুপ্ত আৰু আনটো প্ৰকাশ্য। নামকৰণৰ প্ৰসংগত মাছ, নিমখ, জলাবটা আদি বিতৰণ কৰা পৰম্পৰা বৰ্তমানো দেখা যায়।

**০৪. নিষ্ক্ৰামণ ঃ** নিষ্ক্ৰামণৰ অৰ্থ হৈছে বাহিৰলৈ অনা। নৱজাতকৰ জন্মৰ পাঁচ দিনত নামকৰণ কৃত্যৰ পিছতেই নিষ্ক্ৰামণ কৃত্য সম্পাদন কৰা হয়, জাতক বা জাতিকাক জালেৰে আবৃত কৰি ঘৰৰপৰা বাহিৰলৈ আনি সূৰ্যদৰ্শন কৰোৱা হয়। উদ্দেশ্য সৰ্ব শক্তিৰ আধাৰ সূৰ্য্যদেৱতাৰ দৃষ্টিলৈ আনি শক্তিশালী কৰি তোলা।

**০৫. অন্নপ্ৰাশন ঃ** নৱজাতকৰ ১৮০ দিনত অৰ্থাৎ ছয়মাহৰ ভিতৰত অন্নপ্ৰাশন কৰাব লাগে। অন্নপ্ৰাশনৰ পূৰ্বলৈকে জাতকে শোষ্য আহাৰহে ভক্ষণ কৰে। অন্নপ্ৰাশনৰ পিছতহে জাতকক লাহে লাহে চোবাই খাবলৈ শিকোৱা হয়। অসমৰ বহুতলোকে নান্দিমুখ শ্ৰাদ্ধাদি নকৰাকৈ সাধাৰণভাৱে পূজা-পাঠ বা পুথি পঢ়ি মোমায়েকৰ হতুৱাই জাতকৰ মুখত বস্তু খাদ্য দিয়ায়। সৰহভাগ বৰ্ণ হিন্দুৱে নান্দীমুখ শ্ৰাদ্ধ সুসম্পন্ন কৰি হোমাদি কৃত্যৰ অন্তত জাতকক আনুষ্ঠানিকভাৱে অন্নাদি প্ৰাশন কৰোৱা হয়।

অন্নপ্ৰাশন অথবা 'ভাত ছুৱেনি' কৃত্য কিবা নহয় কিবা প্ৰকাৰে অসমৰ জনজাতিসকলৰ মাজতো পৰম্পৰীণভাৱে ৰক্ষিত হৈ আহিছে।

**০৬. চূড়াকৰণ ঃ** পুত্ৰসন্তান জন্মৰ পাছত প্ৰথমবাৰ চুলিকটা অনুষ্ঠানটোৰ নামেই চূড়াকৰণ। চূড়াকৰণ এক প্ৰকাৰে দীক্ষা সংস্কাৰ, কাৰণ এই সংস্কাৰৰ মাধ্যমেৰে ব্ৰতীয়ে এটা সামাজিক স্তৰৰ পৰা আন এটা উচ্চতৰ সামাজিক স্তৰলৈ উত্তৰিত হোৱাৰ সুবিধা লাভ কৰে। চূড়াকৰণ সংস্কাৰৰ সামাজিক আৰু স্বাস্থ্যগত দিশ আছে। বিশিষ্ট প্ৰাচ্য

চিকিৎসক সুশ্ৰুতৰ মন্তব্যৰ আধাৰত ক'ব পাৰি যে, চুলিকটা, বা খুৰোৱা, নখ ছেদন আদি কাৰ্যই শৰীৰৰ অপবিত্ৰতা দূৰ কৰে। সৌন্দৰ্য্য, সৌভাগ্য, উজ্জ্বলতা, সাহস আৰু শান্তি দান কৰে। এনে দৃষ্টিভংগীৰপৰা ক'ব পাৰি যে, চূড়াকৰণ অৰ্থাৎ মুণ্ডন সংস্কাৰ স্বাস্থ্যৰক্ষা আৰু সৌন্দৰ্য্যবৰ্দ্ধন নিশৰ আধাৰত উদ্ভূত। *গৃহ্যসূত্ৰ*-ত চূড়াকৰণ সম্বন্ধীয় মন্ত্ৰবোৰ কিছুমান ঋক্ আদি বেদত পোৱা যায়। সেইকালৰ পৰা চূড়াকৰণ সংস্কাৰৰ পৰম্পৰা যে, বৈদিক যুগৰপৰা চলি আহিছে তাত সন্দেহ নাই। কোনো কোনো পণ্ডিতৰ মতে প্ৰাক বৈদিক যুগতো অধিবাসীসকলে ওকণি আদি পোক আৰু বেমাৰ-ব্যাধিৰপৰা ৰক্ষা আৰু উদ্ধাৰ পাবৰ বাবে সংঘবদ্ধভাৱে মুণ্ডন কৰাইছিল পুৰোহিত জাতীয় লোকৰ উপস্থিতিত বিভিন্ন কৃত্যৰ সংযোগত।

চূড়াকৰণ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু আন আন জাতি-উপজাতিৰ মাজতো প্ৰচলিত। *গৃহ্যসূত্ৰ*-ৰ মতে সন্তান জন্ম হোৱাৰ এবছৰৰ ভিতৰত বা এবছৰ পাৰহৈ যোৱাৰ পিছতেই চূড়াকৰণৰ সংস্কাৰ সম্পন্ন কৰা উচিত। বৈদিক পৰম্পৰামতে দ্বিজাতিসকলে সন্তানৰ প্ৰথম বছৰ বা তৃতীয় বছৰত চূড়াকৰণ কৃত্য সম্পন্ন কৰা উচিত। পৰৱৰ্তীকালৰ স্মৃতি শাস্ত্ৰত সন্তানৰ সপ্তম বৰ্ষ পৰ্যন্তও চূড়াকৰণ সকালিকৰূপে উদ্‌যাপন কৰিব পাৰি। নান্দীমুখ শ্ৰাদ্ধৰ অন্তত বেদোক্ত-পুৰাণোক্ত আৰু লোকোক্ত পদ্ধতিৰে অসমত পুৰণি কালৰেপৰা চূড়াকৰণ সংস্কাৰ সম্পাদন কৰি অহা হৈছে। অসুবিধা বশতঃ বা প্ৰয়োজনবশতঃ অন্নপ্ৰাশন আৰু চূড়াকৰণ অথবা চূড়াকৰণ আৰু উপনয়ন একেলগে উদযাপিত হ'ব পাৰে। কোনো কোনো প্ৰসংগত বিবাহৰ সময়তেই অন্নপ্ৰাশন, চূড়াকৰণ আৰু উপনয়ন আদি সংস্কাৰ একে দিনাই সম্পাদন কৰে; যদিও স্মৃতিশাস্ত্ৰ বা গৃহ্যসূত্ৰই এনে বিধান দিয়া নাই।

চূড়াকৰণৰ পিছতে অনুষ্ঠিত কৰ্ণবেধ সংস্কাৰ। যৌৱনাৰম্ভৰ মুহূৰ্তত ল'ৰা-ছোৱালীৰ কাণ বিন্ধোৱাৰ উদ্দেশ্য হৈছে প্ৰজনন যাদু সম্পাদন। সেইদৰে নাক বিন্ধোৱাৰো মুখ্য উদ্দেশ্য প্ৰজনন যাদু সম্পাদন আৰু শাৰীৰিক ভূমিকা পালন।

চূড়াকৰণ নকৰাকৈ কাণ বিন্ধোৱা পৰম্পৰা নাৰীসমাজত পুৰণি কালৰেপৰা চলি আহিছে। সেইদৰে নাক বিন্ধোৱা নাৰীকেন্দ্ৰিক কৃত্য। কাণ আৰু নাক বিন্ধোৱা পৰম্পৰা দ্বিজভিন্ন আন জাতি-জনজাতিৰ মাজতো পৰিলক্ষিত। মুছলমান সমাজতো কাণ আৰু নাক বিন্ধোৱা আচাৰ প্ৰচলিত।

'কেশান্ত' চূড়াকৰণৰ ভিতৰুৱা আন এটি কৃত্য। কৰ্ণবেধৰ অন্তত 'কেশান্ত' বা 'মুণ্ডন' সংস্কাৰ সম্পন্ন কৰা হয়। অঞ্চল বিশেষে চূড়াকৰণৰ লগতেই বিদ্যাৰম্ভ সংস্কাৰো কৰা হয় — কাৰণ পাঁচবছৰতেই শিশুৰ বিদ্যাৰম্ভ হোৱা উচিত।

০৭. **উপনয়ন ঃ** দশসংস্কাৰৰ পৰিধিয়ে সামৰা সংস্কাৰৰ ভিতৰত উপনয়ন উল্লেখযোগ্য। বাল্যকাল অতিক্ৰম কৰি কৈশোৰ কালত ভৰি দিয়াৰ সময়ত উপনয়ন, পুষ্পোৎসৱ আৰু চুন্নত আদি কৃত্য বা সংস্কাৰ সম্পন্ন কৰা হয়। স্বৰূপাৰ্থত উপনয়ন আৰু পুষ্পোৎসৱৰ মাজত পাৰ্থক্য নাই আৰু উভয়ৰে উদ্দেশ্য হ'ল পুৰুষত্ব আৰু নাৰীত্ব লাভ।

স্মৃতি আৰু ধৰ্মশাস্ত্ৰমতে উপনয়ন প্ৰকৃতাৰ্থত দ্বিতীয় জন্ম; যিহেতু উপনয়নৰ জৰিয়তে ব্ৰতী গৰাকী নৱত্বত দীক্ষিত হোৱাৰ সুবিধা লাভ কৰে আৰু ফলত তেওঁ শ্ৰৌত (বেদাদি) আৰু স্মাৰ্ত (ধৰ্মশাস্ত্ৰাদি, স্মৃতি) শাস্ত্ৰ অধ্যয়ন কৰিবৰ বাবে প্ৰয়োজনীয় কৰ্তৃত্ব লাভ কৰে।

আৰ্য্যভিন্ন সমাজতো বালকে যৌৱন অৱস্থা লাভ কৰাৰ ক্ষণত দীক্ষা গ্ৰহণ উৎসৱ অনুষ্ঠিত হোৱাৰ প্ৰমাণ পোৱা যায়। ড° নৰেন্দ্ৰ নাথ ভট্টাচাৰ্যই উল্লেখ কৰিছে যে, উপনয়ন সংস্কাৰ সম্পন্ন কৰা এগৰাকী আৰ্যব্ৰতী আৰু অন্য আৰ্য্যসমাজৰ দীক্ষা গ্ৰহণ সম্পূৰ্ণকাৰী ব্ৰতী উভয়ে যৌন সম্পৰ্কীয় নিষেধাচাৰ দৃঢ় আৰু কঠোৰভাৱে পালন কৰিব লাগে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰিযে, উপনয়ন, যৌৱনাৰম্ভ কৃত্য (Puberty rite) বিশেষ— যাৰ সৈতে সম্পৰ্ক ৰক্ষিত হৈছে আদিম সমাজত প্ৰচলিত প্ৰাৱেশিক কৃত্যৰ (initiatory) লগত। বৈদিক যুগত পুষ্পোৎসৱৰ পূৰ্বেই বালিকাৰো উপনয়ন সংস্কাৰ সম্পাদিত হৈছিল যেন লাগে।

উপনয়ন এনে এক সামাজিক উত্তৰণ যাৰ সহায়ত ব্ৰাহ্মণ অৰ্থাৎ দ্বিজাতিয়ে জাতি আৰু গোষ্ঠীত প্ৰৱেশ লাভ কৰিবলৈ সুবিধা লাভ কৰে। জন্মোতে সকলোৱেই শূদ্ৰ, সংস্কাৰৰ জৰিয়তেহে ব্ৰাহ্মণ হয়। উপনয়ন এনে এক মাধ্যম যাৰ সহায়ত জাতিৰ পৰা দ্বিজলৈ উত্তৰিত হোৱাৰ সুবিধা লাভ কৰে। উপনয়নৰ সৈতে সাদৃশ্য বিশিষ্ট সংস্কাৰ পাৰ্চীসকলৰ মাজতো প্ৰচলিত যাৰ নাম 'নাৱৰ'।

উপনয়ন মুখ্যতঃ তিনিটা কৃত্যৰ সমষ্টি ; যেনে (ক) উপনয়ন বা লগুণ দিয়নী, (খ) বেদাৰম্ভ আৰু (গ) সমাৱৰ্তন।

(ক) উপনয়নত বিবিধ কৃত্যৰ জৰিয়তে প্ৰতীক লগুণ দিয়া হয়।

(খ) উপনীত হোৱাৰ পিছত গুৰু-গৃহলৈ বেদাধ্যয়ন কৰিবলৈ যোৱা ক্ৰিয়াৰ নামেই বেদাৰম্ভ।

(গ) বেদাধ্যয়ন সম্পূৰ্ণ কৰি গুৰু-গৃহৰপৰা প্ৰত্যাৱৰ্তন কৰাৰ নামেই সমাৱৰ্তন।

অসমৰ বৰ্ণ হিন্দুসকলৰ মাজত তাহানি উপনয়ন অপৰিহাৰ্য্য সংস্কাৰ আছিল। সেইকাৰণে তেওঁলোকক দ্বিজ আখ্যা দিয়া হৈছিল। জনজাতিসকলৰ মাজতো লগুণ বা পয়তা লোৱা পৰম্পৰা প্ৰচলিত। চুৰমা উপত্যকাৰ ৰাজবংশী, হাজং, হিন্দু মেইতেই আদিৰ মাজতো 'পয়তা' লোৱা নিয়ম আছে। বৈষ্ণৱ-ভকত-মহন্ত আদিয়েও লগুণ লয় আনুষ্ঠানিকভাৱে। নাথ-যোগীসকলেও পয়তা গ্ৰহণ কৰে আনুষ্ঠানিকভাৱে পৰম্পৰানুসৰি।

**০৮. পুষ্পোৎসৱ ঃ** পুষ্পোৎসৱ বা ঋতুৎসৱ অৰ্থাৎ (Puberty rite) দশ সংস্কাৰৰ ভিতৰত নধৰিলেও ই শাৰীৰিক যৌৱনাৰম্ভৰ সৈতে জৰিত। যৌৱনাৰম্ভ জীৱনৰ এনে এটা অৱস্থা, যি অৱস্থাত মানুহে লাভ কৰে প্ৰজনন শক্তি। পুষ্পোৎসৱ এনে এবিধ সংস্কাৰ যাৰ জৰিয়তে কৈশোৰ অৱস্থাপ্ৰায় বালিকা এজনীয়ে এটা সামাজিক আৰু শাৰীৰিক অৱস্থাৰপৰা বিচ্ছিন্না হৈ লাভ কৰে এক উত্তৰিত অৱস্থা। যি কৃত্যই এজনী বালিকাক তেওঁৰ শৈশৱৰপৰা বিচ্ছেদন কৰি উন্নতৰ নাৰীত্বলৈ উত্তৰিত হোৱাৰ পথ-পৰিক্ৰমা বাস্তবায়িত কৰি তোলে— সেই অৱস্থাৰ নামেই যৌৱনাৰম্ভ।

পিতৃ প্ৰধান সমাজত কন্যাৰ পুষ্পোৎসৱ কৃত্যত গুৰুত্ব দিয়া নাই, কিন্তু মাতৃ প্ৰধান সমাজত এই দিশত গুৰুত্ব দিয়া হৈছে। আৰ্য্য-সমাজ অনা আৰ্য্যসমাজৰ কৃত্যদ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। লাহে লাহে পুৰুষ প্ৰধান সমাজতো পুষ্পোৎসৱ পালিত হ'বলৈ ধৰিলে নাৰীকেন্দ্ৰিক কৃত্যৰূপে। অসমৰ জনজাতীয় সমাজত পুষ্পোৎসৱৰ প্ৰচলন দেখা যায়।

**০৯. চুন্নত ঃ** মুছলমানসকলৰ মাজত চুন্নত তাৎপৰ্য্যপূৰ্ণ সংস্কাৰ। 'খটনা' নামেৰেও এইবিধ কৃত্য পৰিচিত। 'চুন্নত' কৃত্য সম্পন্ন নোহোৱা মুছলমানক প্ৰকৃত মুছলমান বুলিব নোৱাৰি। অঞ্চল বিশেষে 'চুন্নত' 'মছলমানী কৰা' ৰূপেও পৰিচিত। *কোৰাণ*-ত চুন্নত সম্পৰ্কীয় কোনো বিধি-ব্যৱস্থাৰ আভাস পোৱা নাযায়। পণ্ডিতসকলৰ মতে চুন্নত প্ৰকৃতাৰ্থত চেমেটিক কৃত্য, হিব্ৰিউ আৰু মুছলমানসকলে এই কৃত্যটো চেমেটিকসকলৰপৰা গ্ৰহণ কৰিছে।

**১০. বিবাহ ঃ** হিন্দুৰ সংস্কাৰমূলক কৃত্যসমূহৰ ভিতৰত বিবাহ নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ। চতুঃপ্ৰকাৰ পুৰুষাৰ্থ, যেনে ঃ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ ভিতৰত কামৰ স্থান তাৎপৰ্য্যপূৰ্ণ। কাম পুৰুষাৰ্থৰ সাৰ্থকতা পৰিপূৰ্ণ হয় বিবাহৰ মাধ্যমেৰে, যি মাধ্যমে সম্ভৱ কৰি তোলে পুত্ৰলাভ। লগতে পুত্ৰ বা সন্তানৰ জৰিয়তে পিতৃয়ে দ্বিতীয়বাৰ জন্ম লাভ কৰে।

*গৃহসূত্ৰ*-ৰ মতে গৃহ-যজ্ঞৰ আধাৰ হৈছে বিবাহ। হিন্দু পৰম্পৰামতে প্ৰত্যেকজন পুৰুষেই বিয়া-বাৰু কৰাই সুখ-শান্তিৰে গৃহাশ্ৰম পালন কৰিব লাগে। *মনুস্মৃতি*-ত অষ্ট প্ৰকাৰ বিবাহৰ বিষয়ে উল্লেখ কৰা কথা ইতিমধ্যে কৈ অহা হৈছে। হিন্দুসমাজত অষ্ট প্ৰকাৰ বিবাহ প্ৰচলিত হৈছিল। ব্ৰাহ্ম, দৈব, আৰ্য্য, প্ৰাজাপত্য বিবাহৰ মাজতো আসুৰ, গান্ধৰ্ব, ৰাক্ষস বিবাহৰ সমল সোমাই আছে। কোনো কোনো ক্ষেত্ৰত ব্ৰাহ্ম আৰু প্ৰাজাপত্যৰ মাজতো অন্যান্য প্ৰক্ৰিয়া লক্ষ্য কৰা যায়। ৰাক্ষস বিবাহৰ প্ৰচলন অসমত পুৰণি কালৰেপৰা আছিল। কুণ্ডিলাধিপতি ভীষ্মকৰ কন্যা ৰুক্মিণীক দ্বাৰকাধিপতি

কৃষ্ণই ৰাক্ষস বিবাহ পদ্ধতিৰে পৰিণয় কৰাইছিল। ব্ৰাহ্মণসমাজতো কন্যাৰ বাপেকে ভাবী জোৱাইৰপৰা গাধন বিচৰা কাৰ্য্য আসুৰ বিবাহৰ কথাকে নোসোঁৱৰায় জানো?

অসমৰ লোক সমাজ আৰু জনজাতীয় সমাজত ৰাক্ষস আৰু আসুৰ বিবাহ প্ৰচলিত হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। আহোমসকলৰ মাজত চকলং পদ্ধতি চলে। ঘৰ জোৱাই ৰখা বা থকা পদ্ধতিও অসমত আছে। অসমৰ বিবাহ কৃত্যত বৈদিক, পৌৰাণিক আৰু লৌকিক সমল নিহিত হৈ আছে। দ্বিতীয়তে, বিবাহানিত নাৰী সমাজৰ ভূমিকা অৰ্থপূৰ্ণ।

মুছলমানসকলৰ মাজত কইনা চোৱা, সান্দহ খুণ্ডা, জা-জলপান আপ্যায়ন কৰা আদিৰ অন্তত 'নিকাহ' কৃত্য সম্পন্ন কৰা হয়।

**১১. মৃতকৰ শ্ৰাদ্ধাদি ঃ** জন্ম, বিবাহ আৰু মৃত্যু এই তিনিটা অৱস্থাক কেন্দ্ৰ কৰিয়েই সংস্কাৰ তথা সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ ঘটিছে। হিন্দু দৰ্শনৰ আধাৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে, ব্যক্তিয়ে তেওঁৰ জীৱদ্দশাত বিবিধ সুকৃতি বা সুকৰ্মৰ মাধ্যমত পুণ্য অৰ্জন কৰা উচিত আৰু তেওঁৰ মৃত্যুত উত্তৰাধিকাৰীসকলে মৃতকৰ সদগতিৰ অৰ্থে অন্ত্যেষ্টি ক্ৰিয়া শ্ৰদ্ধাৰ সৈতে সুসম্পন্ন কৰা উচিত। মৃতকৰ শটো অগ্নিত দাহ কৰা হয়, অথবা পুতি থোৱা হয় অথবা পানীত উটুৱাই দিয়া হয়। মুছলমানসকলে মৃতকক যথা নিয়মে কবৰ দিয়ে। জনজাতিসকলৰ কিছুমানে শটো দাহ কৰে, কিছুমানে মাটিত পুতি থয়। হিন্দুসকলৰ অন্ত্যেষ্টি ক্ৰিয়া শৱদাহন, পিণ্ডদান, দহা, শুদ্ধি, সপিণ্ডন আৰু মৎস্য স্পৰ্শ এই কেইটা কৃত্যৰ সমষ্টি। মৃতকৰ দহা-শুদ্ধি-সপিণ্ডন নোহোৱালৈকে বংশধৰসকলে অশৌচ খাতিৰ লগা হয়। পুত্ৰাদি মৎস্যস্পৰ্শৰ দিনলৈকে উপবাসে, অৰ্ধ উপবাসে থাকিব লগাটো বাধ্যতামূলক। ৰাভা, কাৰ্বি আদি সমাজত কান্দনীনাৰী অনা হয় কান্দিবৰ বাবে।

কাৰ্বিসমাজত প্ৰচলিত 'ছোমাংগকান' (হাৰ্নে, লংটুক, কাংপ্ৰাফা), ৰাভাসকলৰ মাজত প্ৰচলিত ফাৰকান্তি বা তাৰাংগকাজি বা 'হকোত ৰংগা', তাই আহোমসকলৰ 'মেদাম-মে-ফি' আদি মৃতকৰ সংস্কাৰমূলক কৃত্যৰ সৈতে জৰিত উৎসৱ।

**০২.০৩. সীমিত সংখ্যক লোকে অংশ গ্ৰহণ কৰা উৎসৱ-অনুষ্ঠান ঃ** কিছুমান পৰম্পৰাগত উৎসৱ-অনুষ্ঠানত সীমিত সংখ্যক লোকেহে অংশ গ্ৰহণ কৰে। বিহু উৎসৱত নিৰ্বিচাৰে মানুহে অংশ গ্ৰহণ কৰিব পাৰে। এনে উৎসৱ জাতি-বৰ্ণ-ধৰ্ম-লিংগ নিৰ্বিশেষৰ সমন্বয় ভূমি। অন্যহাতে পুষ্পোৎসৱ বা 'তোলনী বিয়া'ত নাৰীসমাজৰ বাহিৰে পুৰুষ সমাজে যোগ দিব নোৱাৰে। গতিকে ই সীমিত সংখ্যক লোকে অংশ গ্ৰহণকৰা উৎসৱ। সাধাৰণতে যিবিলাক বিশেষ বিশেষ লিংগ, বৃত্তিগত জাতি যেনে ঃ সুতাৰ, বাঁঢ়ৈ, মাছমৰীয়া, হীৰা, কুমাৰ, কমাৰ, কহাৰ, ৰাজমিস্ত্ৰী আদিৰ মাজত প্ৰচলিত সেইবোৰেই সীমিত সংখ্যক লোকে অংশ গ্ৰহণ কৰা উৎসৱ-অনুষ্ঠান। এইবোৰ উৎসৱ-অনুষ্ঠান তেওঁলোকৰ মাজত অতীতৰ পৰা পৰম্পৰাগতভাৱে চলি আহিছে। এইবোৰ তেওঁলোকৰ মাজতে সীমিত আৰু এইবোৰেই সীমিত সংখ্যক লোকে অংশ গ্ৰহণ কৰা উৎসৱ-অনুষ্ঠান।

(ঙ) মহাপুৰুষসকলৰ জন্মতিথি-মৃত্যু উদ্‌যাপনেও পুৰণি কালৰেপৰা উৎসৱ-অনুষ্ঠানৰ মৰ্যাদা লাভ কৰি আহিছে।

উৎসৱ-অনুষ্ঠানৰ সৈতে গীত-পদ, নৃত্য-অভিনয়, নাটক আদি জৰিত হৈ থাকে। মেলা বা সবাহ আদি প্ৰায়বোৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠানৰ সৈতে সম্পৃক্ত।